অহিনী সাক্ষৰতা শৃংখলা-৫

# যৌতুক : পৰম্পৰা নহয় অভিশাপহে

## যৌতুক প্ৰতিৰোধ অধিনিয়ম, ১৯৬১




সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী
গুৱাহাটী - ৭৮১০০১


No. ASLSA-38/2014/21 Dated: Guwahati the 18 th April '2016

To
The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

Encl:
As stated above.

# যৌতুক : পৰম্পৰা নহয় অভিশাপহে

## যৌতুক প্ৰতিৰোধ অধিনিয়ম, ১৯৬১

আইনী সাক্ষৰতা শৃংখলা-৫


সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Joutuk : Parampara Nohoi Abhisaphe(Dahez Parampara Nahi Avishap) :** This book is based on legal awareness for the neoliterates on Dowry Prohibition Act 1961. This book is prepared by National Literacy Mission Authority and Department of Justice, Govt. of India, New Delhi. This book is translated and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

| | | |
|---|---|---|
| মূল পুথি | : | দহেজ পৰম্পৰা নহী অভিশাপ |
| পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল | : | নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৰতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী , দীপাংকৰ দাস, সুস্নাতা গোস্বামী |
| ভাৰত চৰকাৰৰ ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল | : | ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া, গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম |
| প্ৰথম প্ৰকাশ | : | মাৰ্চ ২০১৬ (১০০০) |
| প্ৰকাশক | : | ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম<br>১-চি ডি, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড<br>আমবাৰী, গুৱাহাটী-৭৮১ ০০১ |
| সম্পাদনা | : | অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা |
| মুদ্ৰক | : | শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড<br>বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১ |

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম ( নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢ়ুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

# যৌতুক : পৰম্পৰা নহয় অভিশাপহে

ৰাজমোহন নিজৰ জীয়েক গীতাৰ বিয়াৰ বাবে যথেষ্ট চিন্তিত আছিল। বহু ঠাইৰপৰা ল'ৰাৰ খবৰ আহিছিল। কোনো ঠাইত ঘৰ-দুৱাৰ পৰিয়াল অপচন্দ যদি কোনো ঠাইত যৌতুকৰ বাবে বিয়া বন্দবস্ত হোৱা নাছিল।



গীতাই দেউতাকক কৈছিল যে তাই পঢ়া-শুনা কৰি চাকৰি কৰিব খোজে। যি খৰচ তাইৰ বিয়াৰ বাবে হ'ব, সেই পইচা তাইৰ পঢ়া-শুনাত খৰচ কৰিলে বেছি লাভবান হ'ব।

ৰাজমোহনে জীয়েকক ক'লে যে, যৌতুক আমাৰ পৰম্পৰা সেই নিয়ম আমি ভাঙিব নোৱাৰোঁ। শেষত গীতাৰ বিয়া হৈ গ'ল। ৰাজমোহনে বৰ কষ্ট কৰি যৌতুকৰ যোগাৰ কৰিলে। বিয়াত ল'ৰাৰ ঘৰৰ কথামতে সকলো বয়বস্তু আৰু নগদ ধন দি গীতাক বিদায় দিলে।

গীতাই শহুৰেকৰ ঘৰলৈ গৈ বেছি দিন শান্তিত থাকিবলৈ নাপালে। বাৰে বাৰে যৌতুকৰ বাবে গীতাক অত্যাচাৰ কৰিবলৈ ধৰিলে। শহুৰেকৰ ঘৰৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি অৱশেষত গীতাই আত্মহত্যা কৰিলে।

**ৰাজমোহনে পৰম্পৰা ৰক্ষা কৰি কি পালে ?**

তথাকথিত পৰম্পৰা ৰক্ষা কৰি শিক্ষাৰ কথা নাভাবি যৌতুক সহিতে জীয়েকক বিয়া দিয়াৰ পৰিণতিত ৰাজমোহনে অকালতে জীয়েকৰ মৃত্যু মাতি আনিলে। ৰাজমোহনে অনুধাৱন কৰিলে— যৌতুক পৰম্পৰা নহয়, অভিশাপ। ই সমাজত পুৰুষ আৰু মহিলাৰ মাজত ভেদভাৱ বঢ়ায়। এনে ধৰণৰ কু-পৰম্পৰা আঁতৰাবলৈ চৰকাৰে যৌতুকৰ বিৰুদ্ধে এখন আইন প্ৰণয়ন কৰিছে। এই আইনখনে যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১।



## যৌতুক কি ?

- বিয়াৰ সময়ত দৰা পক্ষই, কইনা পক্ষক নগদ ধন আৰু গহণাৰ দাবী কৰিলে।
- দাবীসমূহ বিয়াৰ আগতে, বিয়াৰ সময়ত আৰু পাছতো কৰা হ'ব পাৰে।
- দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সামগ্ৰী যেনে টি.ভি., ফ্ৰীজ, কুলাৰ, ফাৰ্ণিচাৰ, মটৰগাড়ী, মটৰ চাইকেল, ফ্লেট, মাটি-ঘৰ আদি মূল্যবান সামগ্ৰী দাবী কৰিলে যৌতুক গণ্য হ'ব।
- উক্ত সকলো সামগ্ৰী যৌতুক বুলি ধৰা হয়।

সুধীৰ আৰু মালতীৰ বিয়া ঠিক হ'ল। সুধীৰৰ বাপেকে বিয়াৰ আগেয়ে ফ্ৰীজ, ৫ তোলা সোণ, আৰু নগদ ধন দাবী কৰিলে। বিয়াৰ বন্দবস্ত হোৱাৰ বাবে মালতীৰ বাপেকে দাবীসমূহ মানি ল'লে। মালতী বিয়া হৈ যৌতুকৰ সৈতে গুচি গ'ল।

আইনৰ দৃষ্টিত সুধীৰৰ বাপেক যেনেদৰে অপৰাধী, তেনেদৰে মালতীৰ বাপেকো অপৰাধী। আইনৰ চকুত দুয়োজনে শাস্তি পোৱাৰ যোগ্য, কিয়নো যৌতুক লোৱাটো যিদৰে অপৰাধ সেইদৰে দিয়াটোও অপৰাধ।

## যৌতুক লোৱা আৰু দিয়াৰ শাস্তি

পাঁচ বছৰ কাৰাদণ্ড ১৫০০০ টকা জৰিমনা। যৌতুকৰ মূল্য ১৫০০০ টকাতকৈ বেছি হ'লে সেই অনুপাতে জৰিমনা।

## যৌতুক বিচৰাটো অপৰাধ

নীতুৰ বিয়া ৰঘুনাথৰ ল'ৰা ৰাকেশৰ সৈতে বন্দৱস্ত হ'ল। বিয়াৰ এমাহ আগেয়ে ৰাকেশৰ দেউতাকে যৌতুকৰ দাবী কৰিলে আৰু দাবীসমূহ সম্পূৰ্ণ নহ'লে বিয়া ভঙাৰ ধমকি দিলে।

নীতুৰ দেউতাক চিন্তাত পৰিল। তেওঁ চিনাকি মানুহক এই বিষয়ে কোৱাত তেওঁলোকে থানাত অভিযোগ দিবলৈ ক'লে। থানাত অভিযোগ দিয়াৰ পাছত ৰঘুনাথক যৌতুক খোজাৰ অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰি লৈ গ'ল।



## যৌতুক খোজাৰ শাস্তি

- অতি কমেও ছয় মাহৰ পৰা দুবছৰ পৰ্য্যন্ত কাৰাদণ্ড।
- ১০,০০০ টকা জৰিমনা।

**যৌতুক লোৱা আৰু দিয়াত সহায় কৰাটো অপৰাধ —**

জগদীশৰ ওচৰলৈ ল'ৰা আৰু ছোৱালী পক্ষৰ মানুহ বিয়াৰ বন্দবস্ত কৰিবলৈ আহি থাকে। ল'ৰা পক্ষই তেওঁক বৰ প্ৰশংসা কৰে কাৰণ তেওঁ দৰাৰ বাবে যৌতুকৰ লেনদেন কৰি দিয়ে।

জগদীশে সুৰেশৰ বিয়া লতাৰ লগত ঠিক কৰি দিলে। সুৰেশৰ বাপেকক যৌতুকত নগদ একলাখ টকা আৰু দামী গহণাৰ ব্যৱস্থা কৰি দিলে আৰু নিজে পুৰস্কাৰ হিচাবে ৫০০০ টকা লয়।

সাধাৰণতে বিয়াৰ বন্দবস্ত ঘটক বা সম্বন্ধীয় মানুহৰ যোগেদি ঠিক কৰা হয়। ঘটকসকলে বাকী কথা-বাৰ্তাৰ লগতে যৌতুকৰ লেন দেনো ঠিক কৰি দিয়ে। আইনৰ চকুত ঘটকসকলো অপৰাধী। যৌতুক লোৱা বা দিয়াসকলৰ দৰে তেওঁলোকেও শাস্তি ভুগিব লাগে।

**যৌতুক লোৱা আৰু দিয়াত সহায় কৰাসকলৰ শাস্তি —**

কমেও পাঁচ বছৰৰ কাৰাদণ্ড। ৫০০০ টকাৰ জৰিমনা বা যৌতুক ১৫,০০০ টকাৰ বেছি হ'লে, সেই টকাৰ সমান জৰিমনা।

**যৌতুকৰ বাবে বিজ্ঞাপন**

প্ৰিয়া জগতৰ একমাত্ৰ কন্যা। তাইৰ বিয়াৰ বাবে বাপেকে বাতৰি কাকতত এটা বিজ্ঞাপন দিলে। পাত্ৰ লাগে : ছোৱালীৰ বয়স ২২ বছৰ, ৰং বগা, দেখিবলৈ ধুনীয়া। বিয়াৰ বাবে বুজন পৰিমাণৰ যৌতুক দিয়া হ'ব, ইচ্ছুক প্ৰাৰ্থীয়ে যোগাযোগ কৰক।

মানুহে বিয়াৰ বাবে বাতৰি কাকতত বিজ্ঞাপন দিয়ে। ল'ৰাই চাকৰি-বাকৰি দেখা শুনাৰ লগতে যৌতুকৰ ইংগিতো দিয়ে। ছোৱালী ঘৰেও কেতিয়াবা নগদ টকা আৰু সম্পত্তি দিব বুলি বিজ্ঞাপন দিয়াটো অপৰাধ। অভিযোগ দিলে এনে ব্যক্তিৰ শাস্তি হ'ব পাৰে।

**আইনৰ দৃষ্টিত ইয়াৰ বাবে শাস্তি**

- কমেও ছমাহৰ পৰা পাঁচ বছৰ পৰ্য্যন্ত কাৰাদণ্ড।
- ১৫,০০০ টকা পৰ্য্যন্ত জৰিমনা।

**বিয়াত দিয়া সকলো উপহাৰ যৌতুক নেকি ?**

বিয়াত দৰা কইনাক উপহাৰ দিয়া হয়, ই যৌতুক নহয়। আইনত ইয়াৰ অনুমতি আছে, কিন্তু কিছুমান নিয়ম আছে;

- উপহাৰৰ এখন লিখিত তালিকা প্ৰস্তুত কৰিব।
- এই তালিকা বিয়াৰ সময়তে প্ৰস্তুত কৰিব।
- উপহাৰৰ আনুমানিক মূল্য নিৰ্ধাৰণ কৰিব।
- উপহাৰ দিয়া ব্যক্তিৰ নাম উল্লেখ কৰিব।
- দৰা বা কইনাৰ লগত থকা সম্বন্ধৰ বিষয়ে উল্লেখ কৰিব।
- তালিকাত দৰা বা কইনাৰ লগত থকা সম্বন্ধৰ উল্লেখ কৰিব।
- তালিকাত দৰা বা কইনাৰ চহী থাকিব লাগে।
- উপহাৰ দিয়া ব্যক্তিৰ সামৰ্থ্য অনুযায়ী উপহাৰ হ'ব লাগে।

এনে উপহাৰ দাবী কৰিব নালাগে; যিটো ব্যক্তিজনে দিব নোৱাৰে।

ৰমা আৰু মহেশৰ বিয়াৰ বন্দবস্ত হ'ল। বিয়াৰ দিনা ৰমাৰ দেউতাক আৰু আত্মীয়সকলে অনেক উপহাৰ দিলে। ৰমাৰ দেউতাকে সকলো উপহাৰ, টকা, অলংকাৰ আৰু অন্যান্য সামগ্ৰীৰ এখন তালিকা প্ৰস্তুত কৰিলে। তালিকাখনত ৰমা আৰু মহেশে চহী কৰিলে। ৰমা আৰু মহেশৰ দেউতাকেও চহী কৰিলে। হাঁহি স্ফূৰ্তিৰে ৰমাৰ বিবাহ সম্পন্ন হ'ল।



**স্ত্ৰী ধন**

- বিয়াৰ আগেয়ে, বিয়াৰ সময়ত বা বিয়াৰ পাছত কইনাক দিয়া উপহাৰ বা সম্পত্তি তেওঁৰ নিজৰ সামগ্ৰী।
- এইবোৰ সামগ্ৰী স্ত্ৰী ধন। ইয়াত একমাত্ৰ তেওঁৰ নিজৰ অধিকাৰ থাকিব।

- এই স্ত্ৰী ধনত আনৰ অধিকাৰ নাথাকে।
- মহিলাসকলে নিজৰ স্ত্ৰী ধন যাক মন যায় দিব পাৰে। বিয়াৰ সময়ৰ উপহাৰৰ তালিকা আইনমতে আৱশ্যকীয়।

**তালিকা প্ৰস্তুত কৰাৰ মহত্ব —**

তালিকা প্ৰস্তুত কৰিলে সম্পত্তিক লৈ মহিলাসকল বিপদত নপৰে। এই তালিকা প্ৰমাণ হিচাবে থাকি যায়।

**আইনৰ মতে —**

- বিয়াৰ আগতে, পাছত বা বিয়াৰ সময়ত লোৱা যৌতুক, উপহাৰ আদি বিয়াৰ তিনি মাহৰ ভিতৰত ছোৱালীক দিব লাগে।
- ছোৱালীয়ে লোৱা সম্পত্তিত কাৰো অধিকাৰ নাথাকে।
- মহিলাই এই সম্পত্তি যাকে মন যায় দিব পাৰে।
- যৌতুকত লোৱা ধন-সম্পত্তি কোনো ব্যক্তিয়ে দায়িত্ব লৈ ভালদৰে ৰাখিব পাৰে, কিন্তু ছোৱালীয়ে বিচাৰিলেই সেই ধন কোনো ওজৰ আপত্তি নোহোৱাকৈ চমজাই দিব লাগে।
- এনে ব্যক্তিৰ পৰা যৌতুকৰ টকা-পইচা বা সম্পত্তি লোৱাৰ আগেয়ে কিবা কাৰণত ছোৱালীৰ মৃত্যু হ'লে, তেওঁৰ উত্তৰাধিকাৰীয়ে ব্যক্তিজনৰ পৰা টকা সম্পত্তিসমূহ ল'ব পাৰিব। মহিলাসকলৰ উত্তৰাধিকাৰী তেওঁৰ ল'ৰা-ছোৱালী বা মাক-বাপেক হ'ব পাৰে।
- কোনো ব্যক্তিয়ে যদি টকা-সম্পত্তি ওলোটাই দিব নোখোজে তেন্তে তেওঁৰ ওপৰত মোকৰ্দমা কৰিব পাৰিব। দোষী সাব্যস্ত হ'লে তেওঁৰ কঠোৰ শাস্তি হ'ব।

## স্ত্ৰী ধন (যৌতুক) ঘূৰাই নিদিয়াৰ শাস্তি

- ছয় মাহৰ পৰা দুই বছৰলৈ কাৰাদণ্ড।
- ৫০০০ টকাৰ পৰা ১০,০০০ টকা লৈ জৰিমনা।

## যৌতুক লোৱাৰ অভিযোগ



মালতীৰ বিয়াৰ প্ৰথম বিবাহ বাৰ্ষিকী। এই দিনটো তাই আনন্দেৰে পালন কৰিব খুজিছিল। কিন্তু শহুৰৰ ঘৰৰ মানুহে তেনে কৰিবলৈ নিদিলে। যৌতুক আনিবৰ বাবে তেওঁলোকে মালতীক দাবী কৰিলে আৰু বেয়া ব্যৱহাৰ কৰিবলৈ ধৰিলে। মালতী অতিষ্ঠ হৈ থানালৈ গ'ল। তেওঁলোকৰ সকলো কথা থানাত জনাই ৰিপোৰ্ট লিখি গোচৰ তৰিলে। গোচৰ ৰুজু হ'ল আৰু ক'ৰ্টে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে।

## অভিযোগ কোনে কৰিব পাৰে —

- অত্যাচাৰৰ বলি হোৱা মহিলা, তেওঁৰ মাক-দেউতাক বা আত্মীয়ই অভিযোগ কৰিব পাৰে।
- পুলিচ বিষয়া বা চৰকাৰী স্বীকৃতিপ্ৰাপ্ত স্বেচ্ছাসেৱী সংস্থা।
- আদালতে এনে ঘটনাৰ সম্ভেদ পালে ব্যৱস্থা ল'ব পাৰে।
- যৌতুকৰ ৰিপোৰ্ট লিখোৱাৰ বা মোকৰ্দমা কৰাৰ কোনো সময়সীমা নাথাকে। অৱশ্যে যিমান সোনকালে পাৰে ৰিপোৰ্ট লিখোৱা উচিত।

- এবাৰ যৌতুক সম্বন্ধীয় অভিযোগ দাখিল কৰিলে, পাছত দুয়োপক্ষ বুজাবুজিলৈ আহিলেও অভিযোগৰ ৰিপোৰ্ট ঘূৰাই ল'ব নোৱাৰে।
- **বিয়াৰ পাছত যৌতুকৰ বাবে হাৰাশাস্তি কৰা**
- **শাৰীৰিক অত্যাচাৰ :**

  — মহিলাৰ প্ৰাণৰ ভয় আৰু শৰীৰত আঘাত কৰা।

  — মহিলাৰ স্বাস্থ্যৰ ক্ষতি কৰা।
- **মানসিক অত্যাচাৰ :**

  — মহিলাক কোঠাত আবদ্ধ কৰি ৰখা।

  — খোৱা-বোৱা বন্ধ কৰি দিয়া।

  — পৰিয়ালৰ লোকৰ লগত মিলা-মিছা কৰাত বাধা দিয়া।

  — তেওঁক কুৰূপা বুলি কোৱা।

  — গালি-শপনি পাৰা।

  — বিনা কাৰণত শাৰীৰিক সম্বন্ধ কৰিবলৈ অস্বীকাৰ।

ফুলকুৱঁৰী বিয়াৰ পাছত শহুৰেকৰ ঘৰলৈ আহিল। শহুৰেকৰ ঘৰত তাইক মাকৰ ঘৰৰ পৰা টকা-পইচা আনিবলৈ কৈ থাকে আৰু নানিলেই বেয়া ব্যৱহাৰ কৰে। ফুলকুৱঁৰীক তাইৰ পৰিয়ালৰ সৈতে মিলা-মিছা কৰিবলৈ নিদিয়ে। খোৱা-বোৱা দিয়া বন্ধ কৰি কোঠাত বন্ধ কৰি থয়। এনেবোৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি আত্মহত্যাৰে ফুলকুৱঁৰীয়ে এদিন জীৱনৰ অৱসান ঘটায়।

**যৌতুকজনিত হত্যা**

যৌতুকজনিত হত্যাত মৃত্যু হোৱা মৃতকৰ দেহ পোষ্টমৰ্টেম নকৰাকৈ দাহ-সংস্কাৰ কৰাটো অপৰাধ। এনে অপৰাধত অপৰাধীৰ তিনি বছৰৰ কাৰাদণ্ড আৰু জৰিমনা হ'ব পাৰে।

**এনেবোৰ হত্যা যৌতুকজনিত হত্যা বুলি ধৰা হয় :**

- মৃত্যুৰ আগেয়ে ছোৱালীজনীক যৌতুক দাবী কৰি অত্যাচাৰ কৰা হৈছিল।
- যাৰ মৃত্যু বিয়াৰ সাত বছৰৰ ভিতৰত হৈছে।
- মৃত্যু অস্বাভাবিকভাৱে হোৱা।

**যৌতুকজনিত হত্যাৰ অপৰাধীৰ শাস্তি :**

- অতি কমেও সাত বছৰৰ কাৰাদণ্ড। আজীৱন কাৰাদণ্ড।

**যৌতুকজনিত হত্যাৰ মোকৰ্দমাত পুলিচে কি কৰিব ?**

- পুলিচে নিকটতম মেজিষ্ট্ৰেটক খবৰ দিব।
- পুলিচৰ বিষয়া ঘটনাস্থলীলৈ নিজে গৈ ঘটনাৰ বুজ ল'ব।
- পুলিচে ডাক্তৰৰ হতুৱাই পোষ্টমৰ্টেম কৰোৱাই মৃত্যুৰ কাৰণ বিচাৰ কৰিব।
- পুলিচ ঘটনাস্থলীলৈ গৈ ওচৰ চুবুৰীয়া দুই এজন জনা-শুনা ব্যক্তিৰ সৈতে আলোচনা কৰি ৰিপোৰ্ট প্ৰস্তুত কৰিব। ৰিপোৰ্টত পুলিচ বিষয়া আৰু উপস্থিত ব্যক্তিসকলৰ চহী থাকিব।

## আমি এই অভিশাপ নিৰ্মূল কৰিব পাৰোঁ।

আমাৰ সমাজ পুৰুষ প্ৰধান। এই বাবেই মহিলাৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ হৈছে, তাৰ ভিতৰত যৌতুক প্ৰথাও এটা। ই এক প্ৰকাৰ অভিশাপ। এই প্ৰথাৰ বাবেই ল'ৰা-ছোৱালীৰ মাজত বিভেদ অনা হয়। যৌতুক প্ৰথাৰ বাবে কন্যা-ভ্ৰূণ হত্যাৰ সমস্যাৰো সৃষ্টি হৈছে।

- আমি নিজে এই সামাজিক অভিশাপ দূৰ কৰিব লাগিব। আইনে আমাক সহায় কৰিব।
- কোনো মহিলাই আত্মহত্যা কৰা বা তেওঁক হত্যা কৰা হ'ল বুলি সন্দেহ কৰিলে থানাত এফ, আই, আৰ লিখাব লাগে।
- পুলিচে ৰিপোৰ্ট ল'বলৈ হেমাহি কৰিলে, উচ্চ বিষয়াক ৰিপোৰ্ট কৰিব লাগে।
- যৌতুকৰ বিপক্ষে জনসাধাৰণৰ মাজত সজাগতা আনিব লাগে।

## আইনৰ অপপ্ৰয়োগ

আইনৰ অপপ্ৰয়োগ কৰাসকলৰ শাস্তি হ'ব পাৰে যদি

- কোনোৱে যৌতুক সম্বন্ধে মিছা অভিযোগ দি আনক দিগদাৰ দিয়ে।
- মিছা মোকৰ্দমা দি আইনী প্ৰক্ৰিয়াত আউল লগোৱা।
- মিছা অভিযোগ দিয়া সকলক ন্যায়ালয়ে কাৰাদণ্ড আৰু জৰিমনা বিহিব পাৰে।
- ন্যায়ালয়ে পীড়িত ব্যক্তিজনক অভিযোগ দাখিল কৰাজনৰ পৰা ক্ষতিপূৰণো দিয়াব পাৰিব।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)
২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)
৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)
৪) শালীনতাৰ মৰ্যাদা (আইনী সাক্ষৰতা শৃংখলা-৪)
৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)
৬) আশাৰ বেঙুনি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)
৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)
৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)
৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)
১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬)
১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat

**STATE RESOURCE CENTRE ASSAM**
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in